**প্ৰেছ বাৰ্তা নং ঃ ৩৬২/২০২২**

# বিশ্বনাথত প্ৰায় ৪২৫.৭৫ কোটি টকা ব্যয় সাপেক্ষ ১৯টাকৈ প্ৰকল্পৰ শিলান্যাস তথা উদ্বোধন মুখ্যমন্ত্ৰীৰ

### ঐতিহাসিক অসম আন্দোলনৰ শ্বহীদসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## বিশ্বনাথ জিলাৰ চাৰিটা সমষ্টিৰ ৬ হাজাৰকৈ মুঠ ২৪ হাজাৰ হিতাধিকাৰীক নতুনকৈ অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ ডিচেম্বৰ ঃ** 'বিকাশৰ বাবে এটা পযেক' কাৰ্যসূচীৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথ জিলা ভ্ৰমণ কৰি ১৯ টা অভিলাষী প্ৰকল্পৰ আধাৰশিলা আৰু শুভ উদ্বোধন কৰে। এই আটাইকেইটা প্ৰকল্পৰ মুঠ প্ৰকল্প ব্যয় হৈছে ৪২৫.৭৫ কোটি টকা।

এই উপলক্ষে বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত ক্ষেত্ৰত আয়োজিত বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি বিশ্বনাথ জিলাৰ অন্তৰ্গত বিশ্বনাথ, গহপুৰ আৰু চতিয়া বিধানসভা সমষ্টিৰ ১২ টা উন্নয়নমূলক প্ৰকল্প ডিজিটেল মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে অসমৰ স্বাভিমান, মৰ্যাদা, ঐতিহ্য-পৰম্পৰা সুৰক্ষিত কৰাৰ স্বাৰ্থত আত্মবলিদান দিয়া শ্বহীদ সকলক সশ্ৰদ্ধ প্ৰণিপাত জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্বনাথ জিলাৰ ৪ টা সমষ্টিৰ ৬ হাজাৰকৈ মুঠ ২৪ হাজাৰ হিতাধিকাৰীক নতুনকৈ অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব। ২৫০ টকাকৈ বৃদ্ধপেঞ্চন লাভ কৰি থকা আই-মাতৃ সকলক অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰি ১২৫০ টকাকৈ প্ৰদানৰ চিন্তা-চৰ্চা কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

উল্লেখ্য যে নিৰ্দ্ধাৰিত পুঁজিৰে আধাৰশিলা স্থাপন কৰা এই প্ৰকল্পসমূহ হ'ল- ৫০ কোটি টকা ব্যয় সাপেক্ষে বিশ্বনাথ জিলাৰ সংহত উপায়ুক্তৰ কাৰ্যালয়, ১১ কোটি টকা ব্যয় সাপেক্ষে বিশ্বনাথ জিলাৰ আৱৰ্ত ভৱন, ৫০ কোটি টকা ব্যয় সাপেক্ষে বিশ্বনাথ চাৰিআলিত প্ৰস্তাৱিত জিলা ক্ৰীড়া প্ৰকল্প, ১৭৭.২৩ কোটি টকা ব্যয় সাপেক্ষে বিশ্বনাথৰ পাভৈ (দিৰিঙ)ত নতুনকৈ প্ৰতিষ্ঠা হ'ব লগা অসম আৰক্ষী বেটেলিয়ন কাৰ্যালয় প্ৰকল্প, ১১.৯১ কোটি টকা ব্যয় সাপেক্ষে বিশ্বনাথঘাটৰ পৰা পাণপুৰলৈ নিৰ্মাণ হ'ব লগা ৮ কিলোমিটাৰ দৈৰ্ঘ্য পথ তথা মথাউৰিৰ আধাৰশিলা স্থাপন, ৫.০৩ কোটি টকা ব্যয় সাপেক্ষে চতিয়াত চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন, ১৬.৯৬ কোটি টকা ব্যয় সাপেক্ষে বিশ্বনাথৰ বুড়িগাঙত এ.আই.আই.বি.ৰ অধীনত অসম বিতৰণ ব্যৱস্থা সবলীকৰণ আৰু লোকচান হ্ৰাস আঁচনিৰ অধীনত আধাৰশিলা স্থাপন, ২.৯৯ কোটি টকা ব্যয় সাপেক্ষে দিকৰাই পাইকাৰী বজাৰৰ আধুনিকীকৰণ আৰু উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন, ৮.৮৫৩৬ কোটি টকা ব্যয় সাপেক্ষে চতিয়াৰ টুপিয়াত এ.আই.আই.বি.ৰ অধীনত অসম ৰাজ্যত অসম বিতৰণ ব্যৱস্থা সবলীকৰণ আৰু লোকচান হ্ৰাস আঁচনিৰ অধীনত অসম আধাৰশিলা স্থাপন, ৫.৮৯ কোটি টকা ব্যয় সাপেক্ষে ১৫ নং

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পহুকটা সংযোগী ৫ কিলোমিটাৰ দৈৰ্ঘ্য পথৰ আধাৰশিলা স্থাপন, ৫.৯০ কোটি টকা ব্যয় সাপেক্ষে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আমদৈগুৰি সংযোগী ৫ কিলোমিটাৰ দৈৰ্ঘ্য পথৰ আধাৰশিলা স্থাপন, ২৪.৪৯ কোটি টকা ব্যয় সাপেক্ষে সোলেঙী নদীৰ বাওঁপাৰৰ খহনীয়া প্ৰতিৰোধ আৰু অন্যান ক্ষতিগ্ৰস্ত অঞ্চলৰ পুনৰ নিৰ্মাণ কামৰ আধাৰশিলা স্থাপন,

বিশ্বনাথ জিলাত বিকাশৰ গংগা নমাই অনাৰ লক্ষ্যৰে বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বেদেতীৰ জনতা বাকৰিত আয়োজিত বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি বিহালী বিধানসভা সমষ্টিৰ ৭ টা উন্নয়নমূলক প্ৰকল্পৰ ডিজিটেল মাধ্যমৰ জৰিয়তে আধাৰশিলা তথা শুভ উদ্বোধন কৰে।

উল্লেখ্য যে বিহালীত উদ্বোধন তথা আধাৰশিলা হোৱা প্ৰকল্পসমূহ হ'ল- ১৩.৩২ কোটি টকা ব্যয় সাপেক্ষে ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াৰ পৰা বিহালী বটিয়ামাৰী আৰু ইয়াৰ কাষৰীয়া এলেকা সুৰক্ষিত কৰাৰ বাবে খহনীয়া প্ৰতিৰোধী ব্যৱস্থাৰ আধাৰশিলা স্থাপন, ১২.৬৪ কোটি টক ব্যয় সাপেক্ষে বিহালী মিনি ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন, ১০.৪৫ কোটি টকা ব্যয় সাপেক্ষে মৰাণগাওঁ নাচবৰ পথৰ আধাৰশিলা স্থাপন। এই পথচোৱাৰ কাম আৰু ৩.৫ কিলোমিটাৰ বৃদ্ধি কৰা হ'ব, ৫.০৩ কোটি টকা ব্যয় সাপেক্ষে বিহালীত চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন, ১.৪৬ কোটি টকা ব্যয় সাপেক্ষে বিহালীত নৱনিৰ্মিত সদ্ভাৱনা প্ৰকল্পৰ শুভ উদ্বোধন, ১.৬৫ কোটি টকা ব্যয় সাপেক্ষে বিহালী উন্নয়ন খণ্ড চৌহদত নিৰ্মিত প্ৰেক্ষাগৃহৰ শুভ উদ্বোধন, ১০.৯৪৬৮ কোটি টকা ব্যয় সাপেক্ষে বিহালীৰ জিনজিয়াত এ.আই.আই.বি.ৰ অধীনত অসম বিতৰণ ব্যৱস্থা সবলীকৰণ আৰু লোকচান হ্ৰাস আঁচনিৰ অধীনত আধাৰশিলা স্থাপন।

সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা শৈক্ষিক বৰ্ষৰ পৰা বিহালীৰ চৰকাৰী বিজ্ঞান মহাবিদ্যালয়ত কলা শাখা সংযোজনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ পদক্ষেপ লোৱা হ'ব। বিহালীত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থাপনৰ বাবে পদক্ষেপ লোৱা হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসম মালাৰ অধীনত গহপুৰ আৰু বিশ্বনাথৰ মাজত বুৰৈ আৰু বড়গাং সংযোগী এখন দলং নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে বিশ্বনাথ জিলাৰ ২০ হাজাৰ পৰিয়ালক বিনামূলীয়া চাউলৰ ৰেচন কাৰ্ড যোগান ধৰা হ'ব বুলি কয়।

অনুষ্ঠানত অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ, সংসদীয় পৰিক্ৰমা, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী তথা বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰীকা, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱলোচন দাস, বিধায়ক ৰঞ্জিত দত্ত, পদ্ম হাজৰিকা, প্ৰমোদ বৰঠাকুৰ, উৎপল বৰা, গণেশ লিম্বু, কৃষ্ণ কমল তাঁতী, অসম বীজ নিগমৰ অধ্যক্ষ প্ৰবীণ হাজৰিকা, ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমৰ অধ্যক্ষ কিশোৰ উপাধ্যায়, জিলা পৰিষদৰ সভানেত্ৰী লাৱণ্য চাৰিঙীয়া, বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাটে ,ভাৰতীয় জনতা পাৰ্টীৰ জিলা সভাপতি পংকজ বৰা, চৰকাৰী বিষয়া-কৰ্মচাৰী প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে।

**হেঃশঃ**
**১০/১২/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in